# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-07-2025
**Time:** 19-10   Hrs

***Assamese Evening Bulletin***
***Headlines***

***:::::::::::::::::::::::::::::::::::::::::***

১। নিজৰ মাতৃভাষা সংৰক্ষণ তথা মাতৃভাষাক লৈ গৌৰৱবোধ কৰাতো প্ৰতিজন নাগৰিকৰ দায়িত্ব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উল্লেখ কৰে।

২। ভাৰতীয় মহাকাশচাৰী কেপ্তেইন শুভাংশু শুক্লা আৰু AXIOM-4 অভিযানৰ আন ৩ জন মহাকাশচাৰীয়ে  আজি নিৰাপদে পৃথিৱীলৈ প্ৰত্যাৱৰ্তন কৰিছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে AXIOM-4 সফল অভিযানৰ বাবে শুভাংশু শুক্লাক  অভিনন্দন জ্ঞাপন কৰিছে।

৪। কেন্দ্ৰীয় শক্তিমন্ত্ৰী মনোহৰ লালে উদ্যোগসমূহত মিতব্যয়ী শক্তি ব্যৱহাৰ প্ৰযুক্তি বিকশাই তোলাৰ বাবে আজি হাৰিয়ানাৰ পাণিপটত **অদিতি** আঁচনি মুকলি কৰে। ***আৰু***

৫। ভাৰতৰ আৰ বৈশালী, হাৰিকা দ্ৰোনাৱল্লী, কোনেৰু হাম্পি আৰু দিব্যা দেশমুখে কাইলৈ জৰ্জিয়াৰ বাতুমিত চলি থকা মহিলাৰ ফিডে বিশ্ব কাপ ডবা প্ৰতিযোগিতাৰ চতুৰ্থ ৰাউণ্ডত অৱতীৰ্ণ হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে, যে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মাতৃভাষাত শিক্ষাগ্ৰহণ কৰা উচিত। মাতৃভাষাত শিক্ষা গ্ৰহণ কৰাৰ ফলত দেশৰ সমৃদ্ধ সংস্কৃতিক সংৰক্ষণ কৰাৰ লগতে গভীৰভাৱে শিপাই থকা ভাৰতীয় পৰম্পৰাসমূহকো ৰক্ষা কৰিব পৰা যায়  বুলি তেঁও উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয় যে ছাত্ৰ-ছাত্ৰীসকলে যদিহে মাতৃভাষাক নিজৰ শিক্ষা গ্ৰহণৰ মাধ্যম হিচাপে গ্ৰহণ কৰিব পাৰে, তেওঁলোকৰ প্ৰতিভা বহু গুণে বিকশিত হোৱাৰ সম্ভাৱনা থাকে। তেওঁ কয়, যে নিজৰ মাতৃভাষা সংৰক্ষণ কৰা তথা মাতৃভাষাক লৈ গৌৰৱবোধ কৰাতো প্ৰতিজন নাগৰিকৰ দায়িত্ব। তেঁওৰ মতে এজন ব্যক্তিয়ে জ্ঞানৰ প্ৰসাৰৰ বাবে বহুকেইটা ভাষা শিকা উচিত। পঞ্চদশ শতিকাৰ বিশিষ্ট কবি আৰু পণ্ডিত আদিকবি সৰলা দাসৰ ছ্শ বছৰীয়া জয়ন্তী উপলক্ষে ওড়িশাৰ কটকত অনুষ্ঠিত বিশেষ অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ওড়িয়া সাহিত্য জগতত সৰলা দাসে আগবঢ়োৱা অৱদানৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে কবিজনাৰ কৰ্মৰাজি আৰু

ভাৰতীয় ভাষাসমূহক দেশৰ বিকাশৰ বাবে প্ৰচাৰ কৰি নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। একেটা অনুষ্ঠানতে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক ২০২৪ বৰ্ষৰ কলিংগ বঁটাও প্ৰদান কৰে।

০০০০

ভাৰতীয় মহাকাশচাৰী কেপ্তেইন শুভাংশু শুক্লা আৰু Axiom-4 অভিযানৰ আন তিনিজন মহাকাশচাৰীয়ে ১৮ দিনীয়া অভিযানৰ অন্তত আজি পৃথিৱীপৃষ্ঠত পদাৰ্পণ কৰে। অভিযানৰ অংশ হিচাপে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত গৱেষণাৰ পাছত ড্ৰেগন কেপছুলৰ সহায়ত মহাকাশচাৰীসকলে প্ৰশান্ত মহাসাগৰত অৱতৰণ কৰে। এই অভিযানৰ সফলতাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে মহাকাশচাৰীসকলক আদৰণি জনায়। উল্লেখযোগ্য যে কালি বিয়লি ৪ বাজি ৩০ মিনিটত আনডকিং প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অৱতৰণৰ পিছত গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই অন্যান্য সদস্যসকলৰ সৈতে পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিৰ লগত পুনৰ খাপ খাব পৰাকৈ ৭ দিনীয়া বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিব। উল্লেখযোগ্য যে গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই আন তিনিগৰাকী সদস্যৰ সৈতে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ গৈছিল। তেওঁ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰা প্ৰথমজন ভাৰতীয় আৰু ১৯৮৪ চনত মহাকাশলৈ যোৱা উইং কমাণ্ডাৰ ৰাকেশ শৰ্মাৰ পিছত দ্বিতীয়জন ভাৰতীয় মহাকাশচাৰী হিচাপে পৰিগণিত হয়।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই মহাকাশ অভিযান সামৰি নিৰাপদে পৃথিৱীলৈ ঘুৰি অহাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰিছে। সংবাদ মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে ৰাষ্ট্ৰপতিগৰাকীয়ে কৈছে, যে AXIOM-4 অভিযানৰ আৰম্ভণিৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰই ভাৰতে মহাকাশ অন্বেষণৰ লগতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিভিন্ন দিশত আন্তৰ্জাতিকভাৱে যুটীয়াভাৱে কাম কৰাৰ বাবে অনাগত সময়ত নতুন পথ মুকলি কৰিব। তেওঁ লগতে এই অভিযানৰ সৈতে জড়িত প্ৰত্যেকজন ব্যক্তিক শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাকাশচাৰী শুভাংশু শুক্লাই মহাকাশ অভিযান সামৰি নিৰাপদভাৱে পৃথিৱীলৈ প্ৰত্যাৱৰ্তন কৰাত সন্তোষ প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে কয়, যে এই ঐতিহাসিক অভিযান সামৰি পৃথিৱীলৈ ঘুৰি অহা গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাক দেশে আদৰণি জনোৱাৰ এই আনন্দৰ সময়ত তেঁও দেশবাসীৰ লগত থিয় দিছে। তেওঁ লগতে কয়, যে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰা প্ৰথমজন ভাৰতীয় হিচাপে তেওঁ নিজৰ একাগ্ৰতা, সাহস আৰু অগ্ৰণী প্ৰচেষ্টাৰ জৰিয়তে দেশৰ যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিবলৈ সক্ষম হৈছে। শ্ৰীমোদীয়ে লগতে উল্লেখ কৰে, যে এই অভিযানৰ সফলতাই দেশৰ মানৱ মহাকাশ উৰণ অভিযান গগনযানৰ ক্ষেত্ৰত আন এক মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে।

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে মহাকাশচাৰী শুভাংশু শুক্লা আৰু AXIOM-4 অভিযানৰ সকলো সদস্যকে শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ড০ সিঙে কয়, যে ভাৰতে এতিয়া আন্তঃৰাষ্ট্ৰীয় মহাকাশ ক্ষেত্ৰখনত সচা অৰ্থত এটা সুকীয়া স্থান দখল কৰিছে। সংবাদ মাধ্যমত হোৱা কথা বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে আটাইকেইগৰাকী মহাকাশচাৰীয়ে অহা এসপ্তাহৰ বাবে কোৱাৰেণ্টেইনত থাকিব। তেওঁ লগতে কয়, যে শুভাংশু শুক্লা অহা ১৭ আগষ্টত স্বদেশলৈ ঘুৰি অহাৰ সম্ভাৱনা আছে।

০০০০

কেন্দ্ৰীয় শক্তিমন্ত্ৰী মনোহৰ লালে উদ্যোগসমূহত মিতব্যয়ী শক্তি ব্যৱহাৰ প্ৰযুক্তি বিকশাই তোলাৰ বাবে আজি হাৰিয়ানাৰ পাণিপটত কেন্দ্ৰীয় চৰকাৰৰ অটল বিতৰণ প্ৰণালী আঁচনি - **অদিতি** মুকলি কৰে। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহে যাতে মিতব্যয়ী শক্তি প্ৰযুক্তি ব্যৱহাৰ কৰিব পাৰে তাৰ বাবে ঋণৰ সূদৰ ক্ষেত্ৰত ৰাজসাহায্য আগবঢ়াই সমগ্ৰ দেশতে এই মিতব্যয়ী শক্তি প্ৰযুক্তিৰ ব্যৱহাৰক উদগণি যোগোৱাই এই আঁচনিৰ মূল লক্ষ্য। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই আঁচনিৰ জৰিয়তে উদ্যোগ বিশেষকৈ, অতি ক্ষুদ্ৰ, ক্ষুদ আৰু মজলীয়া খণ্ডৰ উদ্যোগসমূহক লাভান্বিত কৰাৰ লক্ষ্য লোৱা হৈছে। তেওঁ লগতে কয় যে এই আঁচনিয়ে ঔদ্যোগিক ব্যয় হ্ৰাস কৰাৰ লগতে পৰিবেশ সংৰক্ষণকো উদগণি যোগাব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে ছাংহাই সহযোগিতা সংস্থাই সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদ আৰু উগ্ৰবাদক প্ৰতিহত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আজি বিয়লি চীনৰ টিয়াং জিনত ছাংহাই সহযোগিতা সংস্থাৰ বৈদেশিক মন্ত্ৰীসকলৰ বাবে অনুষ্ঠিত এখন অধিবেশনত উপস্থিত থাকি ড০ এছ্ জয়শংকৰে এই মন্তব্য আগবঢ়ায়। পেহেলগামত কিছুদিন পূৰ্বে সংঘটিত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীজনে কয় যে পেহেলগামৰ এই আক্ৰমণ আছিল জম্মু আৰু কাশ্মীৰৰ পৰ্যটনৰ ক্ষেত্ৰখনত প্ৰভাৱিত কৰা তথা দেশখনক ধৰ্মীয়ভাৱে বিভাজন কৰাৰ বাবে চলোৱা এটা বৃথা প্ৰচেষ্টা। তেওঁ লগতে কয় যে ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদে ইতিমধ্যে এই আক্ৰমণক গভীৰভাৱে নিন্দা কৰিছে।

০০০০

কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কৈছে যে শিক্ষা ভাৰতবৰ্ষৰ বিকাশৰ যাত্ৰাৰ প্ৰাণস্বৰূপ হোৱা উচিত। নতুন দিল্লীত আজি অনুষ্ঠিত বিদ্যালয় শিক্ষা ভিত্তিক এখন আলোচনাচক্ৰ সম্বোধি শ্ৰীপুৰীয়ে কয়, যে দেশৰ উন্নতিৰ ভেঁটি হৈছে প্ৰাথমিক শিক্ষা। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, ভাৰতে বৰ্তমানৰ ৪ হাজাৰ কোটি ডলাৰৰ পৰা ২০৪৭ চনৰ ভিতৰত ৩৫ হাজাৰ কোটি ডলাৰৰ অৰ্থনৈতিক বিকাশৰ দিশে আগবাঢ়িবলৈ হলে গোলকীয় পৰ্যায়ৰ, উচ্চ মানবিশিষ্ট তথা বিভিন্ন দিশ সামৰি লোৱা শিক্ষা ব্যৱস্থাৰ দায়িত্বশীল আৰু উৎপাদনশীল মানসিকতাপুষ্ট প্ৰজন্মৰ সৃষ্টি কৰিব লাগিব। তেওঁ লগতে কয়, যে শিক্ষাৰ অধিকাৰ  আইনে প্ৰদান কৰা সুবিধাসমূহৰ জৰিয়তে স্বাক্ষৰতাৰ হাৰ বৃদ্ধি, নামভৰ্তি আৰু বিদ্যালয়ৰ আন্তঃগাথনিৰ ক্ষেত্ৰত যথেষ্টখিনি উন্নতি হোৱা পৰিলক্ষিত হৈছে।

০০০০

কেন্দ্ৰীয় অনুসন্ধান সংস্থা-চিবিআইয়ে নাগালেণ্ড বিশ্ববিদ্যালয়ৰ ডীন ড০ চিত্তৰঞ্জন দেৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগত এটা গোচৰ পঞ্জীয়ন কৰিছে। সংস্থাটোৱে এইগৰাকী জ্যেষ্ঠ অধ্যাপকে বৈজ্ঞানিক সা-সঁজুলি আৰু আন বয়বস্তু যোগানৰ ফৰমাইছৰ বাবে ব্যৱসায়ীসকলৰ পৰা উৎকোচ দাবী কৰাৰ অভিযোগত এই গোচৰ ৰুজু কৰিছে। চিবিআইয়ে এই উৎকোচৰ লেনদেনৰ সৈতে জড়িত  তথ্যপাতি বিচাৰি যোৰহাট, লুমানি আৰু আগৰতলাৰ বিভিন্ন স্থানত তালাচী অভিযান চলাইছে। এই সন্দৰ্ভত সংস্থাটোৱে অনুসন্ধান অব্যাহত ৰাখিছে।

০০০০

কংগ্ৰেছ দলৰ সভাপতি আৰু ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই আজি উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ক তেওঁৰ নিজা বাসভৱনত লগ ধৰে। পিছলৈ সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে শ্ৰীখাৰ্গে জানিবলৈ দিয়ে যে, বিৰোধী পক্ষই অহা ২১ জুলাইৰ পৰা হ'বলগীয়া ৰাজ্যসভাৰ অধিবেশন সকলোৰে বাবে উপযোগী হোৱাকৈ আগবঢ়াটো বিচাৰে। তেওঁ লগতে কয়, যে দেশৰ জনসাধাৰণৰ স্বাৰ্থত বিভিন্ন কৌশলগত, ৰাজনৈতিক, বৈদেশিক নীতি আৰু সামাজিক তথা অৰ্থনৈতিক বিষয় সন্দৰ্ভত এই অধিবেশনত ফলপ্ৰসূ হোৱাকৈ যুক্তি-তৰ্ক হোৱাৰ প্ৰয়োজন আছে।

০০০০

ভাৰতৰ আৰ বৈশালী, হাৰিকা দ্ৰোনাৱল্লী, কোনেৰু হাম্পি আৰু দিব্যা দেশমুখে কাইলৈ জৰ্জিয়াৰ বাতুমিত চলি থকা মহিলাৰ ফিডে বিশ্ব কাপ ডবা প্ৰতিযোগিতাৰ চতুৰ্থ ৰাউণ্ডত অৱতীৰ্ণ হ'ব। কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰাৰ বাবে খেলুৱৈসকলে চতুৰ্থ ৰাউণ্ডৰ খেলসমূহ খেলিব। তৃতীয় ৰাউণ্ডত পৰাস্ত হোৱা ৰন্তিকা আগৰৱাল হৈছে একমাত্ৰ ভাৰতীয় খেলুৱৈ। প্ৰি কোৱাৰ্টাৰ ফাইনেলত বৈশালীয়ে - কাজাখস্তানৰ মেৰুৱাৰ্ট কামালিদেনোভাৰ বিৰুদ্ধে আৰু দিব্যাই চীনৰ ঝ্যু জিনাৰ বিৰুদ্ধে খেলিব। আনহাতে হাম্পিয়ে ছুইজাৰলেণ্ডৰ এলেক্সজেন্দ্ৰা কোষ্টেনিউক আৰু হাৰিকাই - লাংগোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

অলিম্পিক পদক বিজেতা পি ভি সিন্ধু, লক্ষ্য সেন আৰু সত্ত্বিকৰাজ ৰনকিৰেড্ডী - চিৰাগ ছেট্টীৰ যুটীটোৱে কাইলৈ টকিঅ'ত অনুষ্ঠিত জাপান অপেন ছুপাৰ ছেভেন ফিফটি বেডমিণ্টন প্ৰতিযোগিতাত নিজৰ অভিযান আৰম্ভ কৰিব। অৱশ্যে ভাৰতৰ ৰুটাপৰ্ণা পাণ্ডা আৰু স্বেতাপৰ্ণা পাণ্ডাৰ মহিলাৰ যুটীটোৱে অপেনিং ৰাউণ্ডত জাপানৰ ক'ক'না ইছহিকাৱা মাইকো কাৱাজোৰ যুটীটোৰ হাতত পোনপটীয়া গেমত পৰাস্ত হয়।

০০০০

সমাপ্ত